**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-04-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ চৰকাৰে কাৰ্যকৰী কৰা নীতিসমূহে অহা এহেজাৰ বছৰলৈকে দেশৰ ভৱিষ্যত নিৰ্মাণৰ ক্ষেত্ৰত ফলপ্ৰসূ ভূমিকা গ্ৰহণ কৰিব বুলি মন্তব্য কৰিছে।

২। অৰুণাচল প্ৰদেশৰ উপ মুখ্যমন্ত্ৰী চাওনা মেইনে আজি নামচাইত বুদ্ধ ধম্মা আৰু উত্তৰ পূৰ্বাঞ্চলৰ সংস্কৃতি বিষয়বস্তুৰে এখন দুদিনীয়া আন্তৰ্ৰাষ্ট্ৰীয় অভিৱৰ্তন মুকলি কৰে।

৩। ভাৰতীয় নৌসেনাই মালদ্বীপৰ উপকূলৰক্ষী বাহিনীৰ এম এন ডি এফ হুৰাভি নামৰ জাহাজখন পুনৰ মেৰামতি কৰি দেশখনক উপহাৰ দিবলৈ সমৰ্থ হৈছে।

৪। দীৰ্ঘদিন ধৰি অসুস্থতাত ভুগি থকা পোপ ফ্ৰান্সিছৰ আজি পৰলোকপ্ৰাপ্তি ঘটে। *আৰু*

৫। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ চমুকৈ বিচিচিআইয়ে ২০২৪-২৫ ক্ৰিকেট বৰ্ষৰ বাবে ভাৰতীয় ক্ৰিকেট দলৰ কেন্দ্ৰীয় কনট্ৰেক্ট তালিকা প্ৰকাশ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ চৰকাৰে কাৰ্যকৰী কৰা নীতিসমূহে অহা এহেজাৰ বছৰলৈকে দেশৰ ভৱিষ্যত নিৰ্মাণৰ ক্ষেত্ৰত ফলপ্ৰসূ ভূমিকা গ্ৰহণ কৰিব বুলি মন্তব্য কৰিছে। এই দৃষ্টিভংগীক সাকাৰ কৰি তুলিবলৈ শ্ৰীমোদীয়ে সকলোকে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ আহ্বান জনাইছে। আজি সপ্তদশ অসামৰিক সেৱা দিৱস উপলক্ষে নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে কয়।

চৰকাৰে বিগত ১০ বছৰত গ্ৰহণ কৰা সামগ্ৰিক উন্নয়নমূলক আঁচনিৰ জৰিয়তে দেশৰ অনন্য পৰিৱৰ্তন সাধন হৈছে বুলিও তেওঁ লগতে কয়। আমাৰ দেশক বৰ্তমান সময়ত কেৱল বিকাশৰ বাবেই নহয়, বৰঞ্চ সুশাসন, স্বচ্ছ আৰু নিকা শাসন ব্যৱস্থা আৰু উদ্ভাৱনৰ নতুন মাপকাঠি নিৰূপনৰ বাবেও বিশ্ববাসীয়ে জানিছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ শক্তি সুৰক্ষা, স্বচ্ছ শক্তি, ক্ৰীড়া ক্ষেত্ৰৰ অগ্ৰগতি আৰু মহাকাশ অন্বেষণৰ সফলতাক লৈ অনাগত সময়ত দেশৰ অভিলাসী লক্ষ্যসমূহৰ ওপৰতো আলোকপাত কৰে।

এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন জিলা, উন্নয়ন খণ্ড আৰু অসামৰিক সেৱাৰ বিষয়া-কৰ্মচাৰীক সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত ৰাজহুৱা প্ৰশাসনৰ প্ৰধানমন্ত্ৰীৰ উৎকৃষ্টতা বঁটাসমূহ প্ৰদান কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে চৌদি আৰৱলৈ যাব। ২০১৬ আৰু ২০১৯ ৰ পাছত এয়া হ'ব শ্ৰীমোদীৰ দেশখনলৈ তৃতীয়টো ভ্ৰমণ। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দুয়োখন দেশৰ সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে অৰ্থনৈতিক, প্ৰতিৰক্ষা, সাংস্কৃতিক আৰু কৌশলগত সহযোগিতাৰ দিশত বিশেষ গুৰুত্ব বহন কৰিব বুলি আশা কৰা হৈছে। ভাৰত আৰু চৌদি আৰৱে অৰ্থনৈতিক অংশীদাৰিত্বৰ লগতে শতিকা পুৰণি বন্ধুত্বক উচ্চ পৰ্যায়ৰ পাৰস্পৰিক বিনিময় আৰু কৌশলগত চুক্তিৰ মাধ্যমেৰে বিগত দশকবোৰত আৰু শক্তিশালী কৰি তুলিছে।

০০০০

অৰুণাচল প্ৰদেশৰ উপ মুখ্যমন্ত্ৰী চাওনা মেইনে আজি নামচাইত বুদ্ধ ধৰ্ম্মা আৰু উত্তৰ পূৰ্বাঞ্চলৰ সংস্কৃতি বিষয়বস্তুৰে এখন দুদিনীয়া আন্তৰাষ্ট্ৰীয় অভিৰৰ্তন মুকলি কৰে। আন্তৰাষ্ট্ৰীয় বৌদ্ধ মহাসংঘই কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰালয়ৰ সহযোগত এই অভিৰৰ্তনৰ আয়োজন কৰিছে। অনুষ্ঠানত গুৱাহাটীত ভূটানৰ কনচ্যুল জেনেৰেল জিগমে থিনলে নামগ্যাল, আন্তৰাষ্ট্ৰীয় বৌদ্ধ মহাসংঘৰ সঞ্চালক প্ৰধান অভিজিত হালদাৰ আৰু সচিব প্ৰধান শ্বাৰ্চে জেংচুপ ৰিনপ'চেও উপস্থিত থাকে। আজি প্ৰথম দিনাৰ কাৰ্যসূচীৰ অংশ হিচাপে ঐতিহাসিক গুৰুত্ব, অঞ্চলটোৰ কলা আৰু সংস্কৃতি আৰু চুবুৰীয়া দেশসমূহত বুদ্ধ ধৰ্ম্মাৰ সাংস্কৃতিক প্ৰভাৱ সম্পৰ্কীয় ৩ খন আলোচনাচক্ৰ অনুষ্ঠিত হয়। কাইলৈ নামচাইৰ বিশ্বপ্ৰসিদ্ধ গোল্ডেন পগ'ৰাত বিপাশনা অভ্যাস কৰাৰ লগতে বিশ্ব শান্তিৰ বাবে প্ৰাৰ্থনাৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। ভাৰতৰ লগতে কম্বোদিয়া, ম্যানমাৰ, থাইলেণ্ড আৰু ভূটানকে ধৰি আন কেইবাখনো দেশৰ বৌদ্ধ ভিক্ষু আৰু পণ্ডিতসকলে এই দুদিনীয়া সন্মিলনত অংশগ্ৰহণ কৰিছে।

০০০০

ভাৰতীয় নৌসেনাই মালদ্বীপৰ উপকূলৰক্ষী বাহিনীৰ এম এন ডি এফ হুৰাভি নামৰ জাহাজখন পুনৰ মেৰামতি কৰি দেশখনক উপহাৰ দিবলৈ সমৰ্থ হৈছে। ভাৰতৰ মহাসাগৰ আৰু চুবুৰীয়া প্ৰথম নীতিৰ অধীনত মুম্বাই পোতাশ্ৰয়ত এই মালদ্বীপৰ এই পুৰণি জাহাজখন সম্পূৰ্ণ নতুন সা-সৰঞ্জাম সংযুক্ত কৰি ইয়াক ব্যৱহাৰ উপযোগী কৰা হৈছে। নতুনকৈ সাজি উলিওৱা এই জাহাজখনে আজি মুম্বাই পোতাশ্ৰয়ৰ পৰা মালদ্বীপ অভিমুখে ৰাওনা হয়। যোৱা বছৰৰ ১৩ নৱেম্বৰত মালদ্বীপৰ এই জাহাজখনৰ পুনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল। এই সময়ছোৱাত ভাৰতীয় নৌ বাহিনীয়ে জাহাজখনৰ ইঞ্জিনৰ পুংখানুপুংখ মেৰামতি, ইয়াৰ অস্ত্ৰ প্ৰণালী আৰু অভিযানকালত ব্যৱহৃত চেঞ্চৰসমূহ উন্নত কৰা হয়। ইয়াৰ পাছত ভাৰতীয় নৌবাহিনীয়ে জাহাজখন অভিযান উপযোগী হৈ উঠিছে নে নাই সেই বিষয়ে বিভিন্ন পৰীক্ষা, নিৰীক্ষা আৰু ইয়াৰ সুৰক্ষা ব্যৱস্থা অধ্যয়ন কৰি মালদ্বীপৰ উপকূলৰক্ষী বাহিনীৰ নাৱিক আৰু সৈনিকসকলক প্ৰশিক্ষণ প্ৰদান কৰে। নতুনকৈ সজাই তোলা এই জাহাজখনে ভাৰত আৰু মালদ্বীপৰ মাজৰ সহযোগিতাৰ এটা নতুন অধ্যয় সূচনা কৰিব বুলি আশা কৰা হৈছে।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভান্স চাৰিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হয়। তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে তেওঁক বিমান বন্দৰত আদৰণি জনায়। সেই স্থানতেই অভ্যাগত উপ-ৰাষ্ট্ৰপতিগৰাকীৰ উদ্দেশ্যে গাৰ্ড অব অনাৰৰ আয়োজন কৰা হয়। শ্ৰী ভান্সৰ সৈতে আমেৰিকাৰ দ্বিতীয় মহিলা উষা ভান্স আৰু মাৰ্কিন প্ৰশাসনৰ কেইবাগৰাকীও জ্যেষ্ঠ সদস্যও ভাৰতলৈ আহিছে। আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতিগৰাকী তেওঁৰ পৰিয়ালৰ সৈতে আজি নিশা জয়পুৰত উপস্থিত হ'ব। ৩ দিনীয়া জয়পুৰ ভ্ৰমণসূচীত তেওঁক সাক্ষাৎ আমেৰ দুৰ্গ, ছিটি পেলেচ আৰু জন্তৰমন্তৰ দৰ্শন কৰিব। জয়পুৰত তেওঁ ভাৰত-আমেৰিকা বাণিজ্য সম্পৰ্কৰ ভৱিষ্যত বিষয়ক এখন ব্যৱসায়িক সন্মিলনত অংশগ্ৰহণ কৰিব। শ্ৰীভান্সে অহা বুধবাৰে আগ্ৰালৈ গৈ তাজমহল দৰ্শন কৰাৰো কথা। উল্লেখযোগ্য যে এয়া হ'ল আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰথমটো ভাৰত ভ্ৰমণ। তেওঁৰ এই ভ্ৰমণে দুয়োখন দেশকেই পাৰস্পৰিক দ্বিপাক্ষিক সম্পৰ্কৰ লগতে যোৱা ১৩ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী মোদীৰ আমেৰিকা ভ্ৰমণৰ সময়ত প্ৰকাশ পোৱা ভাৰত-আমেৰিকা যুটীয়া বিবৃতিৰ ব্যৱস্থাৱলী কাৰ্যকৰী কৰাৰ বিষয়টো পৰ্যালোচনা কৰাৰো সুযোগ প্ৰদান কৰিব। শ্ৰীভান্সৰ এই ভ্ৰমণৰ সময়তে উভয় দেশৰ আঞ্চলিক বিষয়সমূহৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহক লৈও মত-বিনিময় কৰা হ'ব বুলি প্ৰকাশ পাইছে।

০০০০

দীৰ্ঘদিন ধৰি অসুস্থতাত ভুগি থকা পোপ ফ্ৰান্সিছৰ আজি পৰলোকপ্ৰাপ্তি ঘটে। ভেটিকান ছিটিৰ কেচা ছান্তা মাৰ্তাস্থিত নিজা বাসগৃহত দেহাৱসান ঘটা পোপ ফ্ৰান্সিছৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৮ বছৰ। পোপ হিচাপে ১২ বছৰীয়া কাৰ্যকালত তেওঁ কেইবাটাও স্বাস্থ্য সংক্ৰান্তীয় জটিলতাত ভোগাৰ পিছত যোৱা কেইবাসপ্তাহ ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈছিল। কেথলিক গীৰ্জাক পুনৰ গঠন কৰা দৰিদ্ৰ লোকসকলৰ কণ্ঠস্বৰ হিচাপে জনাজাত পোপ ফ্ৰান্সিছে প্ৰথমগৰাকী লেটিন-আমেৰিকান হিচাপে ২০১৩ চনত পোপৰ দায়িত্বভাৰ গ্ৰহণ কৰে। ফ্ৰান্সিছ গীৰ্জাৰ ইতিহাসৰ আটাইতকৈ পুৰণি পোপসকলৰ ভিতৰত এজন আছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পোপ ফ্ৰান্সিছৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে বিশ্ব কেথলিক সম্প্ৰদায়ৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে পোপ ফ্ৰান্সিছক সমগ্ৰ বিশ্বৰ লাখ লাখ লোকে সদায় সহানুভূতি, নম্ৰতা আৰু আধ্যাত্মিক সাহসৰ পথ প্ৰদৰ্শক হিচাপে স্মৰণ কৰিব। পোপ ফ্ৰান্সিছে কঠোৰ পৰিশ্ৰমেৰে দৰিদ্ৰ আৰু নিপীড়িত লোকসকলৰ সেৱা আগবঢ়াইছিল আৰু ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে আশাৰ ভাৱ জাগ্ৰত কৰিছিল বুলিও শ্ৰী মোদীয়ে উল্লেখ কৰে। ব্ৰিটিছ প্ৰধানমন্ত্ৰী কেইৰ্ স্টেমাৰেও পোপ ফ্ৰান্সিছৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত তেওঁ কয়, যে পোপ ফ্ৰান্সিছে মানৱজাতিৰ কাৰনে এখন সৰ্বাংগ সুন্দৰ পৃথিৱী নিৰ্মানৰ বাবে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছিল।

ষ্টেমাৰৰ লগতে ইটালিৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলোনি, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰোৰ লগতে আন বহুকেইগৰাকী বিশ্ব নেতাই পোপ ফ্ৰান্সিছৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ চমুকৈ বিচিচিআইয়ে ২০২৪-২৫ ক্ৰিকেট বৰ্ষৰ বাবে ভাৰতীয় ক্ৰিকেট দলৰ কেন্দ্ৰীয় কনট্ৰেক্ট তালিকা প্ৰকাশ কৰিছে। বিচিচিআইয়ে আজি মুম্বাইত প্ৰকাশ কৰা তালিকা অনুসৰি যোৱা বছৰৰ এক অক্টোবৰৰ পৰা এই বছৰৰ ৩০ চেপ্তেম্বৰলৈ ক্ৰিকেটাৰসকলৰ এই নিৰিখ কাৰ্যকৰী হৈছে। টি টুৱেণ্টি ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰা সত্তেও ভাৰতীয় টেষ্ট ক্ৰিকেট দলৰ অধিনায়ক ৰোহিত শৰ্মা, বিৰাট কোহলী, আৰু ৰবীন্দ্ৰ জাদেজাক এ প্লাছ শ্ৰেণীতে ৰখা হৈছে। এই শ্ৰেণীত অন্তৰ্ভুক্ত হোৱা আন খেলুৱৈগৰাকী হৈছে বেগী বলাৰ যশপ্ৰীত বুমৰাহ। এই আটাইকেইগৰাকী খেলুৱৈয়ে বছৰি সাত কোটি টকা লাভ কৰিব। ইয়াৰ পাছতেই এ শ্ৰেণীত অন্তৰ্ভুক্ত ছগৰাকী খেলুৱৈ হৈছে মহম্মদ চিৰাজ, কে এল ৰাহুল, শুভমন গীল, হাৰ্দিক পাণ্ডিয়া, মহম্মদ ছামি আৰু ঋষভ পণ্ট। এ শ্ৰেণীৰ খেলুৱৈকেইগৰাকীয়ে বছৰি ৫ কোটি টকাকৈ লাভ কৰিব। অনুশাসনমূলক ব্যৱস্থা হিচাপে

যোৱা বছৰ বিচিচিআই কনট্ৰেক্ট তালিকাৰ পৰা বাহিৰত ৰখা আক্ৰমনাত্মক বেটাৰ শ্ৰেয়াছ আয়াৰক বি শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁৰ লগতে এই শ্ৰেণীত স্থান লাভ কৰা আন কেইগৰাকী খেলুৱৈ হৈছে সূৰ্য কুমাৰ যাদৱ, কুলদীপ যাদৱ, অক্ষৰ পেটেল আৰু যশস্বী জয়ছোৱাল। এই কেইগৰাকী খেলুৱৈয়ে বিচিচিআইৰ পৰা বছৰি ৩ কোটি টকালৈ লাভ কৰিব। বিচিচিআইৰ চি-শ্ৰেণীত অন্তৰ্ভুক্ত কৰা ১৯ গৰাকী খেলুৱৈৰ ভিতৰত যোৱা বছৰ তালিকাৰ পৰা বাদ পৰা ইশান কিশানো আছে। চি শ্ৰেণীৰ খেলুৱৈসকলে বছৰি এক কোটি টকাকৈ লাভ কৰিব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ক'লকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, গুজৰাট টাইটানছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে এতিয়ালৈকে খেলা ৭ খন খেলৰ ৫ খনতে জয়লাভ কৰি গুজৰাট টাইটানছ পইণ্ট তালিকাৰ শীৰ্ষ স্থানত আছে। একে সংখ্যক খেলৰ ৩ খনত জয়লাভ কৰি কলকাতা নাইট ৰাইডাৰ্ছ তালিকাৰ সপ্তম স্থানত আছে।

০০০০

সমাপ্ত